দৈ: অগ্ৰদূত
১৫/০৭/১৫

# এন আৰ চি উন্নীতকৰণ সেৱা কেন্দ্ৰত প্ৰ-পত্ৰ পূৰণৰ নিয়মৰ বিভিন্নতা ঃ বিপাঙত ৰাইজ

বিশেষ সংবাদদাতা

লাহৰীঘাট, ১১ জুলাই ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটত এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত বিভ্ৰান্তিৰ বাবে হাৱাশাস্তিৰ সন্মুখীন হৈছে ৰাইজ। লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ কাৰ্যালয়সমূহত স্থাপন কৰা প্ৰতিটো এন আৰ চি সেৱা কেন্দ্ৰত নিয়ম বেলেগ বেলেগ হোৱাত বিপাঙত পৰিছে ৰাইজ। প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত কি ৰঙৰ চিয়াহী ব্যৱহাৰ কৰিব লাগিব তাৰ কোনো নিৰ্দেশনা নাই। একাংশ পঞ্চায়তৰ সেৱা কেন্দ্ৰত নীলা ৰঙৰ চিয়াহীৰে পূৰণ কৰা প্ৰ-পত্ৰ গ্ৰহণ নকৰাৰ বিপৰীতে আন একাংশ গাঁও পঞ্চায়তৰ সেৱা কেন্দ্ৰত নীলা বা ক'লা দুয়োবিধ চিয়াহীৰে পূৰণ কৰা প্ৰ-পত্ৰ গ্ৰহণ কৰিছে। আনহাতে, চৰকাৰে প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত বান্ধি দিয়া নিয়ম অনুসৰি নিজৰ ঠিকনাত ঘৰৰ নম্বৰ নিলিখা ব্যক্তিয়ে প্ৰ-পত্ৰত থকা ঘৰৰ নম্বৰ পূৰণ নকৰিলেও হ'ব। সেয়ে প্ৰায় ৭০ শতাংশ লাহৰীঘাটৰ ৰাইজে নিজৰ ঠিকনাত ঘৰৰ নম্বৰ উল্লেখ কৰা নাই। কিন্তু ঘৰৰ নম্বৰ নথকা প্ৰ-পত্ৰ একাংশ সেৱা কেন্দ্ৰই গ্ৰহণ কৰা নাই। ইফালে, বিবাহিতা মহিলাই নিজৰ পূৰ্বপুৰুষৰ লগত থকা সম্পৰ্কৰ বাহিৰে বিবাহৰ কোনো প্ৰমাণপত্ৰ একাংশ সেৱা কেন্দ্ৰত প্ৰয়োজন নাই যদিও একাংশ সেৱা কেন্দ্ৰত বিবাহৰ প্ৰমাণপত্ৰৰো প্ৰয়োজন হৈছে। আকৌ এন আৰ চি উন্নীতকৰণৰ লগত জড়িত একাংশ বিষয়াই উল্লেখ কৰা মতে, ১৯৫১ৰ এন আৰ চি বা ১৯৭১ৰ ২৪ মাৰ্চ পৰ্যন্ত প্ৰকাশিত তালিকাত কোনো ব্যক্তিৰ নাম ভুলকৈ থাকিলে প্ৰ-পত্ৰ পূৰণ কৰোঁতে তেনে ব্যক্তিৰ ভুল নামৰ কাষত শুদ্ধ নাম লিখি দিলেই হ'ব। কিন্তু প্ৰ-পত্ৰ জমা লোৱা কেন্দ্ৰসমূহত ইয়াৰ পৰিবৰ্তে এফিডেভিট বিচৰাৰ ফলত সাধাৰণ ৰাইজ বিপাঙত পৰিছে। আনহাতে, ১৯৫১ৰ এন আৰ চি বা ১৯৭১ৰ ২৪ মাৰ্চ পৰ্যন্ত প্ৰকাশিত ভোটাৰ তালিকাৰ পৰা পূৰ্বপুৰুষৰ বিৱৰণ জনসাধাৰণে এন আৰ চি সেৱা কেন্দ্ৰসমূহৰ পৰাই পাইছিল যদিও বৰ্তমান একাংশ সেৱা কেন্দ্ৰই কেৱল প্ৰ-পত্ৰ জমা লোৱা কামহে কৰি পূৰ্বপুৰুষৰ বিৱৰণ দিয়াটো বন্ধ কৰিছে। ফলত দৰিদ্ৰ ৰাইজে ব্যক্তিগত কম্পিউটাৰ প্ৰতিষ্ঠানৰ পৰা ধন খৰচ কৰি এনে বিৱৰণ সংগ্ৰহ কৰিবলৈ বাধ্য হৈছে।

দৈনিক অগ্ৰদূত
12/7/15